# 2016

## ASSAMESE

( Major )

Paper : 5.6

( ভাষাৰ স্বৰূপ )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ লিখা (যি কোনো সাতটা) : ১×৭=৭

(ক) *Linguistic Survey of India* নামৰ গ্ৰন্থখনৰ প্ৰণেতা কোন?

(খ) "A language is a system of arbitrary vocal symbols by which members of a social group co-operate and interact." ভাষা সম্পৰ্কীয় এই উক্তিটো কাৰ?

(গ) ৰূপ-ৰচনা আৰু বাক্য-ৰচনাৰ ওপৰত ভিত্তি কৰি কৰা ভাষাৰ বৰ্গীকৰণক কি নাম দিয়া হৈছে?

(ঘ) দ্ৰাবিড়ীয় ভাষা পৰিয়ালৰ আটাইতকৈ প্ৰাচীন আৰু সমৃদ্ধিশালী ভাষাটো কি?

১৮৮৭ (ঙ) এস্পেৰেণ্টো ভাষাটো কিমান চনত আৱিষ্কাৰ হৈছিল?

চীনা (চ) 'সুৰপ্ৰধানতা' পৃথিৱীৰ কোন ভাষাৰ প্ৰধান বৈশিষ্ট্য?

(ছ) হোমাৰৰ 'ইলিয়াড' আৰু 'ওডিচি' মহাকাব্য দুখন গ্ৰীচৰ কোনটো উপভাষাত ৰচিত? আয়োনিক

(জ) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত ভাৰতীয় আৰু ইৰানীয় শাখাৰ মধ্যৱৰ্তী শাখাটো কি? দৰ্দীয়

(ঝ) পণ্ডিত মেক্স মূলাৰে ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালটোক কি নাম দিছিল? আৰ্য

২। চমু উত্তৰ লিখা (যি কোনো চাৰিটা) : ২×৪

(ক) ভাষাৰ যাদৃচ্ছিকতা বুলিলে কি বুজা?

(খ) ভাৰতবৰ্ষত কি কি ভাষা পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে?

(গ) অপভাষা কি, চমুকৈ লিখা।

(ঘ) "ভাষাৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰিবলৈ হ'লে মূলতঃ দুটা বিষয়ৰ ওপৰত চকু দিব লাগে।" এই বিষয় দুটা কি কি?

(ঙ) চমু টোকা লিখা—পাটোইচ আৰু পাৰ্লে।

(চ) উপৈতৃকীয়া ভাষা বুলিলে কি বুজা, উদাহৰণসহ উল্লেখ কৰা।

(ছ) কাশ্মীৰী উপভাষাত অপিনিহিতি সম্পৰ্কে লিখা।

৩। উত্তৰ লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) ভাষাৰ উৎপত্তি সম্পৰ্কীয় 'ক্ৰমবিকাশবাদ' সূত্ৰটি ব্যাখ্যা কৰা।

(খ) ৰাষ্ট্ৰভাষা কাক বোলে? স্বাভাৱিক আৰু কৃত্ৰিম ৰাষ্ট্ৰভাষাৰ কোনটো অধিক গ্ৰহণীয় বুলি তুমি বিবেচনা কৰা, যুক্তি দৰ্শাই লিখা।

(গ) "মানভাষা নিজেও এটা উপভাষাহে।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

(ঘ) ভাষাৰ প্ৰগতি আৰু অৱনতি বুলিলে কি বুজা, বহলাই লিখা।

(ঙ) ব্লুমফিল্ডে গ্ৰীমৰ ধ্বনি-নিয়মক কেনেকৈ বৰ্ণাইছে, উদাহৰণসহ বুজাই লিখা।

৪। (ক) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজা? ভাষাক কি কি প্ৰকাৰে বৰ্গীকৰণ কৰিব পাৰি? কোন দুটা বৰ্গীকৰণক ভাষাবিদসকলে অধিক বিজ্ঞানসম্মত বুলি বিবেচনা কৰে? ইয়াৰে কি যি কোনো এক প্ৰকাৰ বৰ্গীকৰণ সম্পৰ্কে বিশদ আলোচনা কৰা। ১+২+১+৬=১০

অথবা

(খ) ইণ্ডো ইউৰোপীয় ভাষা পৰিয়ালৰ আদিম বাসস্থান আৰু উৎপত্তি কাল ঠাৱৰ কৰি এই ভাষা পৰিয়ালৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা। ২+২+৬=১০

৫। (ক) ভাষাৰ সৈতে প্ৰজাতি, সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক বিচাৰ কৰি এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰা।

অথবা

(খ) ভাষাৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকলে আগবঢ়োৱা বিভিন্ন সূত্ৰসমূহ আলোচনা কৰি তাৰে কোনটো সূত্ৰ অধিক বিজ্ঞানসম্মত বুলি ভাবা, যুক্তি দৰ্শাই লিখা। ৮+

৬। (ক) ধ্বনি পৰিবৰ্তন বুলিলে কি বুজা? ভাষাৰ ধ্বনি পৰিবৰ্তনৰ বিভিন্ন কাৰণসমূহ উদাহৰণসহ আলোচনা কৰা। ২+

অথবা

(খ) তলত দিয়া যি কোনো চাৰিটা ধ্বনি পৰিবৰ্তনৰ নিয়মৰ বিষয়ে চমু টোকা লিখা : ২½×

ব্যঞ্জন সমীভৱন; স্বৰভক্তি; মধ্যস্বৰ লোপ; বিষমীভৱন; আদি স্বৰাগম; অল্পপ্ৰাণীভৱন; অপশ্ৰুতি।

★ ★ ★

# 2016

## ASSAMESE

### ( Major )

Paper : 5.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) প্ৰথম বৌদ্ধ মহাসংগীতি ক'ত অনুষ্ঠিত হৈছিল?

(খ) নিয়া প্ৰাকৃতৰ উদ্ধাৰকৰ্তা কোন?

(গ) 'সাৰিপুত্ৰ প্ৰকৰণ' কাৰ ৰচনা?

(ঘ) মাগধী প্ৰাকৃতৰ সৰ্বপ্ৰাচীন নিদৰ্শন ক'ত দেখা পোৱা যায়?

(ঙ) 'পউমচৰিয়'ৰ ৰচয়িতা কবিগৰাকীৰ নাম লিখা।

(চ) 'পিটক' শব্দৰ অৰ্থ কি?

(ছ) "Maharashtri was regarded as the Prakrit per excellence." কথাষাৰ কোনে কৈছিল?

২। চমুকৈ উত্তৰ লিখা : ২×৪=৮

(ক) 'সন্দেশ ৰাসক' কাব্যখনিৰ ৰচকজনৰ নাম লিখি কাব্যখন কেইটা প্ৰক্ৰমত বিভক্ত, লিখা।

(খ) উপোসথ কি? উপোসথ অনুষ্ঠানটি কোন ধৰ্মৰ লগত জড়িত?

(গ) পালি ভাষাত ৰচিত ছন্দ সম্বন্ধীয় আৰু অলংকাৰ সম্বন্ধীয় গ্ৰন্থ দুখনৰ নাম লিখা।

(ঘ) জাতক কি? জাতক শব্দ কি অৰ্থত ব্যৱহৃত হৈছে?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'অভিজ্ঞান শকুন্তলম'ৰ পাঠত উল্লেখিত ষষ্ঠ অংকৰ পূৰ্ব প্ৰসংগ উত্থাপন কৰা।

2013 (খ) 'কৰ্পূৰমঞ্জৰী'ৰ কবিগৰাকীৰ এটি চমু পৰিচয় দাঙি ধৰা।

(গ) ভাৰতীয় দূতকাব্যৰ পৰম্পৰাৰ শেহতীয়া নিদৰ্শন বুলি কোনখন গীতিকাব্যৰ নাম উল্লেখ কৰা হৈছে? এই কাব্যখনিৰ বিষয়বস্তু সম্পৰ্কে টোকা প্ৰস্তুত কৰা।

(ঘ) "অপ্পমাদো অমতপদং পমাদো মচ্চুনো পদং
অপ্পমত্তা ন মীয়ন্তি যে পমত্তা যথামতা।"

উক্ত গাঁথাশাৰী ক'ৰ পৰা উদ্ধৃত আৰু এই গাঁথাৰ দ্বাৰা কি অৰ্থ প্ৰকাশ কৰা হৈছে লিখি 'অমতপদং' শব্দৰ অৰ্থ লিখা।





৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) প্ৰাকৃত গীতিকাব্যৰ সৰ্বশ্ৰেষ্ঠ নিদৰ্শন 'গাহাসত্তসঈ' কাৰ দ্বাৰা ৰচিত, নাম উল্লেখ কৰি কাব্যখনিৰ বিষয়বস্তু সম্পৰ্কে বুজাই লিখা।

2013/2016 (খ) সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজা? সাহিত্যিক প্ৰাকৃত-কেইটাৰ নাম উল্লেখ কৰি মাগধী প্ৰাকৃত সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(গ) 'অভিজ্ঞান শকুন্তলম' নাটকৰ ধীৱৰ আৰু ৰক্ষীসকলৰ কথোপকথনখিনি নিজৰ ভাষাৰে উল্লেখ কৰি তৎকালীন সমাজব্যৱস্থা কেনেদৰে প্ৰকাশ পাইছে, লিখা।

(ঘ) 'অপ্পমাদ' শব্দৰ অৰ্থ সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতামত উল্লেখ কৰি বৰ্গটিৰ সাৰ কথাখিনি পাঠৰ উদ্ধৃতিৰে লিখা।

(ঙ) বিষয়বস্তুৰ পৰিবেশন অনুযায়ী অপভ্ৰংশ সাহিত্যক কেনেদৰে ভাগ কৰা হৈছে লিখি যি কোনো এটি ভাগৰ পৰিচয় দাঙি ধৰা।

★★★